# গ্ৰহণদৃশ্যায়ন চশমা:

## ব্যৱহাৰৰ নিয়মাৱলী




*পূৰ্ণগ্ৰাস সূৰ্যগ্ৰহণ*

*সোমবাৰ, ৮ এপ্ৰিল ২০২৪*

© 2014-2024
Eclipse2024.org

# TERMS AND CONDITIONS FOR USE OF ECLIPSE GLASSES

**Please read these Instructions for Use carefully before using the Eclipse Glasses. Your purchase and use of the Eclipse Glasses constitutes your agreement to these Terms and Conditions. Failure to follow these Instructions for Use may result in serious personal injury, including permanent eye damage. If you do not understand these Instructions or cannot follow them diligently and completely, then you should not look at the Sun at any time, with or without the Eclipse Glasses.**

The term “Eclipse Glasses” refers to the special cardboard-and-polymer optical products, marked “ISO 12312-2” and “SAFE FOR DIRECT SOLAR VIEWING”, manufactured by Rainbow Symphony of Reseda CA or American Paper Optics of Bartlett TN, and sold by Eclipse2024.org for the purpose of viewing the Sun during the solar eclipse of April 8, 2024, by or under the direct supervision of a person 18 years of age or above and in accordance with these Instructions for Use.

Observing the Sun directly, without the benefit of eye protection provided by the Eclipse Glasses, will likely result in serious personal injury, up to and including permanent eye damage and blindness. When these Instructions for Use are followed completely and precisely, the undamaged and unmodified Eclipse Glasses have been proven to be safe and effective in allowing direct, short-term viewing of the Sun. If these Instructions for Use are not followed, or if damaged or modified Eclipse Glasses are used, permanent eye injury could result.

You should never look directly at the Sun, with or without the aid of the Eclipse Glasses, if you have any temporary or permanent medical or other condition which either (1) prevents your use of the Eclipse Glasses according to these Instructions for Use, or (2) which predisposes you to an increased or special risk of incurring, worsening, or contributing to the effects of any optical condition, or other medical, health, or other condition, by looking or attempting to look at the Sun.

You should never attempt to perform any other activity (such as driving or walking) while using the Eclipse Glasses.

You agree that if you allow others to use the Eclipse Glasses, you will provide each such user with a copy of these Instructions for Use and will make sure such user reads and understands the Instructions for Use before using the Eclipse Glasses.

By using the Eclipse Glasses to view the Sun, you agree with the following:

(a) you understand these Instructions for Use completely;
(b) you understand and accept the risks associated with improper use of the Eclipse Glasses;
(c) you accept full responsibility for, and assume all risks associated with, the act of viewing the Sun, with or without the use of the Eclipse Glasses; and
(d) the Eclipse Glasses are fragile, and any damage or modification will render them immediately and permanently unusable for their intended purpose.

Release and Limitation of Liability

By way of purchasing and using the Eclipse Glasses, you are irrevocably releasing, indemnifying, and holding harmless the manufacturer and seller from any liability, loss, claim and expense (including attorney’s fees), including but not limited to bodily injury or other personal harm, which may result from using the Eclipse Glasses under any circumstances or conditions and irrespective of jurisdiction. Neither the manufacturer nor the seller will be responsible for any damages of any kind, irrespective of reasons, conditions or circumstances, including malfunctioning of the Eclipse Glasses. All risks associated with using the Eclipse Glasses rest solely and entirely with the user, irrespective of whether the Eclipse Glasses are used by the original purchaser or any third party. You fully understand and assume the risks in using the Eclipse Glasses. You confirm that you have read this release of liability and fully understand its terms and that you have given up substantial rights by purchasing and using the Eclipse Glasses.

THE MANUFACTURER AND SELLER OF THE ECLIPSE GLASSES MAKE NO WARRANTY OF ANY KIND, EXPRESSED OR IMPLIED, WITH RESPECT TO THE ECLIPSE GLASSES, INCLUDING BUT NOT LIMITED TO THE IMPLIED WARRANTIES OF MERCHANTABILITY, FITNESS FOR A PARTICULAR PURPOSE, AND NON-INFRINGMENT. NEITHER THE MANUFACTURER NOR THE SELLER SHALL BE LIABLE FOR ANY OTHER DAMAGES, INCLUDING BUT NOT LIMITED TO DIRECT, INDIRECT, INCIDENTAL, SPECIAL, CONSEQUENTIAL, OR EXEMPLARY DAMAGES, WHETHER IN AN ACTION IN CONTRACT OR TORT (INCLUDING NEGLIGENCE AND STRICT LIABILITY), SUCH AS, BUT NOT LIMITED TO, LOSS OF ANTICIPATED PROFITS OR BENEFITS RESULTING FROM, OR ARISING OUT OF, OR IN CONNECTION WITH THE USE OR FURNISHING OF THE ECLIPSE GLASSES OR THE PERFORMANCE, USE OR INABILITY TO USE THE SAME, EVEN IF THE MANUFACTURER OR SELLER HAS BEEN ADVISED OF THE POSSIBILITY OF SUCH DAMAGES. IN NO EVENT WILL THE MANUFACTURER’S OR SELLER’S TOTAL LIABILITY EXCEED THE PRICE PAID FOR THE PRODUCT.

Note Regarding Translations

Translations of these Instructions for Use into various languages are provided “AS-IS” and solely for the convenience of the reader. Eclipse2024.org has made reasonable efforts to ensure the accuracy of the Translations; however, in the event of any perceived discrepancy in meaning or interpretation between the English version and any Translation, the English version will prevail. You should not act in reliance on anything contained in any Translation of these Instructions for Use, but should refer to the official English version.


*© 2014-2024 Eclipse2024.org*


# ***পূৰ্ণগ্ৰাস সূৰ্যগ্ৰহণ – ৮ এপ্ৰিল ২০২৪***

**উত্তৰ আমেৰিকালৈ স্বাগতম!**

আমি ধন্য যে আপুনি পূৰ্ণগ্ৰাস সূৰ্যগ্ৰহণৰ অভিজ্ঞতা লবলৈ আমাৰ দেশ খন বাচি লৈছে আৰু আমিও বিচাৰো যাতে এই বিৰল পৰিঘটনা টো প্ৰতিজনেই সুৰক্ষিতভাৱে চাব পাৰে!

*আমি এই নিয়মাৱলী সমূহ <অসমীয়া> ত কেৱল আপোনালোকৰ সুবিধাৰ বাবেই আগবঢ়াইছো। এই নিয়মাৱলী, নিৰ্দেশনা আৰু দাবী সমূহৰ ইংৰাজী সংস্কৰণটোৱেই হৈছে প্ৰত্যক্ষ ভাৱে গ্ৰহণদৃশ্যায়ন চশমাৰ দ্বাৰা সূৰ্যটো পৰ্যবেক্ষন কৰাৰ বাবে প্ৰয়োজনীয় তথ্য আৰু সহায়ৰ সম্পূৰ্ণ উৎস। নিয়মাৱলী সমূহ* https://tinyurl.com/2024Instructions ***ত উপলব্ধ আৰু*** *গ্ৰহণদৃশ্যায়ন চশমা ব্যৱহাৰ কৰিবলৈ আপুনি নিয়মাৱলী সমূহ পঢ়ি, বুজিলৈ তাক মানি চলাটো অতি প্ৰয়োজনীয়।* ***নিয়মাৱলী পালন কৰাত অসক্ষম হলে গম্ভীৰ শাৰিৰীক ক্ষতি হ'ব পাৰে।***

জ্যোতিবিজ্ঞানী সকলে ৮ এপ্ৰিল, ২০২৪ৰ গ্ৰহণটো পূৰ্ণগ্ৰাস গ্ৰহণ হিচাপে বিবেচিত কৰিছে. কিন্ত সম্পূৰ্ণ গ্ৰহণ লক্ষ্য কৰিবলৈ, উত্তৰ আমেৰিকাৰ মাজেৰে যোৱা এডোখৰ অতি ঠেক ঠাইত (যাক সম্পূৰ্ণ গ্ৰহণৰ পথ বোলা হয়) অৱস্থান কৰিব লাগিব। যদি আপুনি এই পথটিত অৱস্থান নকৰে তেন্তে কেৱল আংশিক গ্ৰহণহে উপভোগ কৰিব পাৰিব! সেয়ে এইটো অতি গুৰুত্বপূৰ্ণ যে আপোনাৰ অৱস্থান যাতে সম্পূৰ্ণ গ্ৰহণৰ পথতহে হয়, আৰু এই ক্ষেত্ৰত আপুনি অৱলম্বন কৰিব লগা কাৰ্যপ্ৰণালী তলত উল্লেখ কৰা হ'ল।



*সম্পূৰ্ণ গ্ৰহণৰ পথ*

## [দ্ৰুত আৰম্ভনি গাইড]    [সবিশেষ নিয়মাৱলী]

"গ্ৰহণ দৃশ্যায়ন চশমা", শব্দটি এই দস্তাবেজ খনত "Eclipse Glasses" শব্দটিক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে, যাৰ উল্লেখ প্ৰথম পৃষ্ঠাৰ দাবীকৰণৰ লগতে দস্তাবেজ খনৰ বিভিন্ন অংশত কৰা হৈছে।

গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰি আপুনি সূৰ্যটো চোৱাতো এক আইনগত চুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। গতিকে গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰি যিকোনো সময়তেই সূৰ্যটো চাওঁতে আপুনি নিয়মাৱলী দস্তাবেজত উল্লেখিত সকলো নিয়ম আৰু নিৰ্দেশনা সম্পূৰ্ণৰূপে মানি চলাতো বাধ্যতামূলক। . যদি আপুনি নিৰ্দেশনা সমূহ বুজি নাইপোৱা বা আপুনি সেই সমূহ শুদ্ধকৈ আৰু সম্পূৰ্ণ ৰূপে পালন কৰিব নোৱাৰে, অথবা যদি আপুনি নিৰ্দেশনা সমূহৰ সৈতে সন্মত নহয়, তেন্তে আপোনাক এয়ে নিৰ্দেশ আৰু উপদেশ দিয়া হৈছে যে আপুনি যাতে যিকোনো প্ৰক্ৰিয়াৰে কোনো সময়তে সূৰ্যটো নাচায়।

© 2014-2024

# *গ্ৰহণ দৃশ্যায়ন চশমাৰ দ্ৰুত আৰম্ভনি গাইড*

*এই দ্ৰুত আৰম্ভনি গাইড খন এক সংক্ষিপ্ত ৰূপ যাক অসমীয়াৰ বিস্তৃত ভাবে উল্লেখিত নিৰ্দেশাৱলীৰ পৰা লোৱা হৈছে, যিখন আপুনি পঢ়ি, বুজি লৈ দৃশ্যায়ন চশমাৰে গ্ৰহণ চাবলৈ তাক সম্পূৰ্ণ ৰূপে মানি চলাটো বাঞ্ছনীয়।*

**1) Eclipse2024.org/find-times ত আপুনি প্ৰস্তাৱিত স্থান চাই সেই স্থানত পূৰ্ণগ্ৰাস গ্ৰহণ হ'বনে নাই তাক জানিব পাৰিব, লগতে সেই স্থানত আংশিক আৰু পূৰ্ণগ্ৰাস (যদি প্ৰয়োজন) ৰ আনুমানিক সময়ও জানিব পাৰিব।**

**2) পূৰ্ণগ্ৰাস গ্ৰহণ এটি অতি আকৰ্ষনীয় পৰিঘটনা, কিন্তু আপুনি পূৰ্ণগ্ৰাস উপভোগ কৰিব পাৰিব কেৱল যদিহে আপোনাৰ অৱস্থান "সম্পূৰ্ণ গ্ৰহণৰ পথ"ৰ ভিতৰত হয়– যিটো কেৱল ২০০ কি.মি বহল। যদি আপোনাৰ প্ৰস্তাৱিত স্থানৰ পৰা পূৰ্ণগ্ৰাস দেখা পোৱা নাযায়, তেন্তে আমি আপোনাক সম্পূৰ্ণ গ্ৰহণৰ পথৰ অন্তৰ্গত ঠাই এডোখৰলৈ সলনি কৰিবলৈ বিশেষ ভাবে উপদেশ দিওঁ!**

**3) গ্ৰহণ চাবলৈ গ্ৰহণদৃশ্যায়ন চশমা ব্যৱহাৰ কৰিবলৈ, চশমা খনৰ লেন্স কেইখন সম্পূৰ্ণকৈ আপোনাৰ চকুৰ সন্মুখত ৰাখক যাতে চকুযুৰি প্ৰত্যক্ষ ভাৱে সূৰ্যটো চোৱাৰ পৰা ৰক্ষা পৰে।**

**4) সূৰ্যটো চাবলৈ গ্ৰহণদৃশ্যায়ন চশমা কেতিয়া ব্যৱহাৰ কৰিব:**

**a. যদি আপোনাৰ স্থানত গ্ৰহণ পূৰ্ণগ্ৰাস নহয় , তেন্তে গ্ৰহণ চোৱা অৱস্থাত সকলো সময়তে গ্ৰহণদৃশ্যায়ন চশমা পিন্ধি থাকিব। চকুযুৰিৰ সঠিক সুৰক্ষাৰ অবিহনে সূৰ্যটো চালে আপোনাৰ চকুৰ স্থায়ী ক্ষতি হ'ব পাৰে।**

**b. যদি আপোনাৰ স্থানত গ্ৰহণ পূৰ্ণগ্ৰাস হয়, তেন্তে আপুনি গ্ৰহণদৃশ্যায়ন চশমা পিন্ধিহে সূৰ্যৰ যিকোনো উজ্বল অংশ চাব – সেইয়া লাগিলে কোনো সৰু দৃশ্যমান অংশই নহওক কিয়। আপুনি এই নিৰ্দেশনা পালন কৰিবলৈ অসমৰ্থ হলে আপোনাৰ চকুৰ স্থায়ী ক্ষতিৰ দৰে বিপদ হ'ব।**

**i. তথাপিও কেৱল পূৰ্ণগ্ৰাসৰ অতি কম অন্তৰালত সূৰ্যটোৰ যেতিয়া কোনো উজ্বল অংশ দেখা পোৱা নাযাব, তেতিয়া আপুনি গ্ৰহণদৃশ্যায়ন চশমাৰ অবিহনে প্ৰত্যক্ষ ভাৱে পূৰ্ণগ্ৰাস গ্ৰহণ চাব পাৰিব।**

**ii. প্ৰকৃততে পূৰ্ণগ্ৰাসৰ সময়ত গ্ৰহণদৃশ্যায়ন চশমাৰ দ্বাৰা সূৰ্যটো চালে আপুনি একো দেখা নাপায়!**

**iii. পূৰ্ণগ্ৰাস শেষ হোৱাৰ লগে লগেই আপুনি গ্ৰহণদৃশ্যায়ন চশমা পিন্ধাটো বাধ্যতামূলক কিয়নো সূৰ্যৰ উজ্বল অংশ পুনৰ দৃশ্যমান হৈ উঠিব।**

**5) আন শব্দত কবলৈ হ'লে,**

**যেতিয়া সূৰ্যৰ যিকোনো উজ্বল অংশ দৃশ্যমান হৈ থাকে,**
**সূৰ্যটো চাবলৈ আপুনি গ্ৰহণদৃশ্যায়ন চশমা পিন্ধাটো বাধ্যতামূলক!**

*© 2014-2024*
*Eclipse2024.org*

# গ্ৰহণদৃশ্যায়ন চশমাৰ ব্যৱহাৰৰ বিস্তৃত বিৱৰণ

প্ৰথমে, আপুনি কেইটামান পৰিভাষিক শব্দ বুজি লোৱাটো আৱশ্যক!

প্ৰত্যেক গ্ৰহণ আৰু পৃথিৱীৰ প্ৰত্যেক অৱস্থানৰ বাবে, কিছু বিশেষ সময়ত হোৱা পৰিঘটনা কিছুমানৰ বিশেষ নাম আছে, এই সমূহক তলত উল্লেখ কৰা হ'ল:

| পৰিঘটনাৰ নাম | পৰিঘটনাৰ বিৱৰণ | ই দেখাত কেনেকুৱা (পূৰ্ণগ্ৰাস গ্ৰহণৰ ক্ষেত্ৰত) | ই দেখাত কেনেকুৱা (আংশিক গ্ৰহণৰ ক্ষেত্ৰত) |
|---|---|---|---|
| C1 | আংশিক দশাৰ আৰম্ভণি |  |  |
| C2 | পূৰ্ণগ্ৰাসৰ আৰম্ভণি |  | ** নঘটে! ** |
| মধ্যম গ্ৰহণ | গ্ৰহণৰ মধ্যম দশা |  |  |
| C3 | পূৰ্ণগ্ৰাসৰ অন্ত |  | ** নঘটে! ** |
| C4 | আংশিক দশাৰ অন্ত |  |  |

© 2014-2024
Eclipse2024.org

# *1) গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰৰ সাধাৰণ নিয়মাৱলী*



1) গ্ৰহণ দৃশ্যায়ন চশমাৰ পেকেটটো সাৱধানে খোলক। [*যদি প্ৰযোজ্য হয়*]

2) ব্যৱহাৰ নকৰাৰ সময়ত গ্ৰহণ দৃশ্যায়ন চশমা যোৰ সাৱধানে ৰাখক।

3) প্ৰত্যেক বাৰ ব্যৱহাৰৰ পাছত চশমা যোৰ নিৰীক্ষণ কৰক; যে লেন্স কেইখনত কোনোধৰণৰ ক্ষতি বা ভাঁজ লাগিছে নেকি? যদি তেনে হৈছে তেন্তে চশমা যোৰ কাটি ধ্বংস কৰি পেলাওক আৰু এযোৰ নতুন চশমা লওক ।

4) চশমাৰ লেন্স কেইখন যদি কোনো ধৰণে বেয়া হৈ গৈছে, তেন্তে কোনো সময়তেই সেই গ্ৰহণ দৃশ্যায়ন চশমা যোৰ সূৰ্যটো চাবলৈ ব্যৱহাৰ নকৰিব।

5) গ্ৰহণ দৃশ্যায়ন চশমাৰ পৰা লেন্সযোৰ আতৰাই নিদিব আৰু কোনো কাৰণতে আতৰাই ৰখা লেন্সেৰে সূৰ্যটো নাচাব।

6) শুদ্ধকৈ লগোৱা আৰু ক্ষতি নোহোৱা গ্ৰহণ দৃশ্যায়ন চশমাৰ লেন্সে দৃশ্যমান পোহৰৰ ধ্বংসাত্মক অংশৰ লগতে হানিকাৰক অতিবেঙুনীয়া আৰু আন সৌৰ কিৰণ সমূহ বিপদমুক্তভাৱে বাধা দিয়ে। সেয়ে এই নিৰ্দেশাৱলীত দিয়াৰ দৰে নিয়ম সমূহ মানি চলি গ্ৰহণ দৃশ্যায়ন চশমাৰ ব্যৱহাৰৰ দ্বাৰা যিকোনো সময়তেই সূৰ্যটো চোৱাতো সম্পূৰ্ণ নিৰাপদ। এনে কোনো বিশেষ “গ্ৰহণ ৰশ্মি” নাথাকে যি গ্ৰহণৰ সময়ত সূৰ্যটো লক্ষ্য কৰা কাৰ্যটো কম বা অধিক বিপদজনক কৰি তোলে।

7) **আপুনি সূৰ্যটোৰ যিকোনো উজ্বল অংশ দৃশ্যমান হৈ থকা অৱস্থাত সূৰ্যটো চাবলৈ ইয়াত উল্লেখিত ধৰণে গ্ৰহণ দৃশ্যায়ন চশমাৰ ব্যৱহাৰ কৰিব লাগিব। ই গ্ৰহণৰ যিকোনো সময়ৰ পৰিঘটনাৰ ক্ষেত্ৰতে প্ৰযোজ্য, সেইয়া লাগিলে আপুনি যিকোনো উৎসৰ পৰা সংগ্ৰহ কৰা তথ্যই নহওক কিয় (উদাহৰণ স্বৰূপে ওপৰত উল্লেখিত “C2” আৰু “C3”)।**

8) গ্ৰহণ দৃশ্যায়ন চশমাযোৰ কোনোধৰণৰ দূৰবীক্ষণ যন্ত্ৰ, কেমেৰা, লেন্স, আইনা বা আন কোনো পোহৰদৰ্শী যন্ত্ৰ, যি পোহৰ পাৰদৰ্শী বা প্ৰতিফলন কৰে (পোহৰ উপকৰণ) তেনে উপকৰণৰ সৈতে সংযুক্ত কৰি ব্যৱহাৰ নকৰিব।

9) তেনেকুৱা কোনো পোহৰদৰ্শী যন্ত্ৰ সূৰ্যৰ ফালে পোনাই নাৰাখিব, আৰু কেতিয়াও সূৰ্যৰ ফালে পোনাই ৰখা তেনে যন্ত্ৰ বা আন কোনো মাধ্যম যি সূৰ্যৰ ৰশ্মি একত্ৰিত, অভিকৰণ বা প্ৰতিসৰণ কৰে তেনে মাধ্যম ব্যৱহাৰ কৰি সূৰ্যটো নাচাব।

10) গ্ৰহণ দৃশ্যায়ন চশমাৰ ব্যৱহাৰ কোনো জন্তু বা অস্থায়ী ভাৱে অক্ষম লোক বা যি চশমাযোৰৰ নিৰাপদ ব্যৱহাৰৰ বাবে প্ৰয়োজনীয় নিয়ম সমূহ পঢ়িবলৈ বা বুজিবলৈ সক্ষম নহয় বা চশমাৰ ব্যৱহাৰৰ বাবে প্ৰয়োজনীয় বিধি সমূহ মানি চলাৰ লগতে ইয়াক অমান্য কৰিলে হ’ব পৰা প্ৰভাৱ আৰু ইবোৰৰ আইনগত দ্বায়িত্ব মানি লব নোৱাৰে তেনে লোকক নিদিব।



11) গ্ৰহণ দৃশ্যায়ন চশমাযোৰ ব্যৱহাৰৰ বাবে:

গ্ৰহণ দৃশ্যায়ন চশমাযোৰ সম্পূৰ্ণৰূপে আপোনাৰ চকুযোৰি আৰু সূৰ্যৰ মধ্যভাগত ৰাখক আৰু চশমাযোৰৰ অক্ষত লেন্সৰ মাজেৰে সূৰ্যটোৰ ফালে চাওক, কেৱল সকলো সময়তে চশমাযোৰৰ লেন্স আপোনাৰ চকু আৰু সূৰ্যৰ মাজত ৰাখিব। কাৰ্ডবৰ্ডৰ চশমাৰ ক্ষেত্ৰত আপুনি সেইযোৰ সাধাৰণ চশমা এযোৰ পিন্ধাৰ সময়ত কৰাৰ দৰে ভাঁজ কৰি লব পাৰে। পূৰ্ণগ্ৰাস গ্ৰহণ নোহোৱা অৱস্থাত সূৰ্যটোলৈ প্ৰত্যক্ষ ভাৱে নাচাব(অৰ্থাৎ, C2 আৰু C3 চলি থকা সময়ৰ ভিতৰত, যি আপুনি তলৰ তালিকাৰ পৰা বুজিব পাৰিব, যদিহে তেনে সময় আৰু পৰিঘটনা আপোনাৰ অৱস্থানত প্ৰযোজ্য হয়) যদিহে আপুনি গ্ৰহণ দৃশ্যায়ন চশমাযোৰৰ অক্ষত লেন্সৰ অবিহনে প্ৰত্যক্ষ ভাৱে চাইছে।

12) সূৰ্যটো চোৱাৰ ক্ষেত্ৰত চকুৰ ৰক্ষা কৱচ হিচাপে গ্ৰহণ দৃশ্যায়ন চশমাৰ উপযুক্ত থাপত প্ৰকৃত নিৰ্মাতাৰ দ্বাৰা তৈয়াৰী লেন্স লগাই চোৱাৰ বাদে আন কোনো উপকৰণ বা বস্তু ব্যৱহাৰ নকৰিব।

13) এই নিৰ্দেশনা সমূহৰ ওপৰত আপোনাৰ যদি কোনো প্ৰশ্ন আছে, অনুগ্ৰহ কৰি Eclipse2024.org ৰ https://tinyurl.com/glasses-questions ত যোগাযোগ কৰক।

*© 2014-2024*
*Eclipse2024.org*

## *2) আপোনাৰ প্ৰস্তাৱিত স্থানত গ্ৰহণৰ বিশেষ পৰিঘটনা আৰু ইয়াৰ সময় জানি লওক*

**[Eclipse2024.org/find-times](Eclipse2024.org/find-times) ত আপোনাৰ স্থানৰ ওপৰত যোগান ধৰা তথ্যৰ ভিত্তিত, তলৰ বক্তব্য টো সম্পূৰ্ণ কৰক:**

### *মোৰ স্থানত, গ্ৰহণ হৈছে:*

| পূৰ্ণগ্ৰাস | আংশিক |
|---|---|

*(যিকোনো এটা বাচনি কৰক)*

| | |
|---|---|
| **যদি আপোনাৰ স্থানত গ্ৰহণ *পূৰ্ণগ্ৰাস হয়* তেন্তে তলৰ অংশৰ অন্তৰ্ভূক্ত নিৰ্দেশাৱলী সমূহ পালন কৰক**<br><br>**"মোৰ স্থানত *পূৰ্ণগ্ৰাস* গ্ৰহণ হৈছে"**<br><br>**নিম্নলিখিত অংশ:** | **যদি আপোনাৰ স্থানত গ্ৰহণ *পূৰ্ণগ্ৰাস নহয়* তেন্তে তলৰ অংশৰ অন্তৰ্ভূক্ত নিৰ্দেশাৱলী সমূহ পালন কৰক**<br><br>**"মোৰ স্থানত গ্ৰহণ *পূৰ্ণগ্ৰাস* নহয়"**<br><br>**নিম্নলিখিত অংশ::** |

*© 2014-2024*

## ** মোৰ স্থানত *পূৰ্ণগ্ৰাস* গ্ৰহণ হৈছে **

আপুনি সম্পূৰ্ণতাৰ পথত অৱস্থান কৰিছে আৰু এটি বিৰল তথা আকৰ্ষণীয় পৰিঘটনাৰ অভিজ্ঞতা লাভ কৰিবলৈ গৈ আছে! আপোনাৰ স্থানত পূৰ্ণগ্ৰাস গ্ৰহণ কোন সময়ত হ'ব সেইটো নিৰূপণ কৰাটো অতি আৱশ্যক।তলত উল্লেখিত সময় চাই আপুনি এনে কৰিবলৈ সক্ষম হ'ব, আৰু লগতে এই কাৰণেও যে পূৰ্ণগ্ৰাসৰ সময়ত সূৰ্যটোৰ কোনো উজ্বল অংশ দৃশ্যমান হৈ নাথাকে।

1) আপোনাৰ অৱস্থানৰ বাবে eclipse2024.org/find-times ত উপলব্ধ কৰোৱা তথ্যৰ ভিত্তিত তলৰ তালিকাবদ্ধ গ্ৰহণৰ পৰিঘটনাৰ আনুমানিক সময় লিখি লওক (নিশ্চিত হওক যাতে সময় সূচী আপোনাৰ স্থানীয় সময়ক্ষেত্ৰৰ সৈতে মিলি থাকে!)

| | | | | | |
|---|---|---|---|---|---|
| ***C1ৰ আগত*** | * কোনো গ্ৰহণ হোৱা নাই * | |  |  | আপুনি গ্ৰহণ দৃশ্যায়ন চশমা পিন্ধাটো **বাঞ্চনীয়** |
| ***C1*** | **আংশিক গ্ৰহণ আৰম্ভ হোৱাৰ সময়:** | |  |  | আপুনি গ্ৰহণ দৃশ্যায়ন চশমা পিন্ধাটো **বাঞ্চনীয়** |
| ***C2*** | **পূৰ্ণগ্ৰাস আৰম্ভ হোৱাৰ সময়:** | |  |  | **C2ৰ পাছত**, আপুনি ইচ্ছা কৰিলে খালী চকুৰে চাব পৰে |
| ***মধ্যম গ্ৰহণ*** | **আৰম্ভ হোৱাৰ সময়:** | |  |  | **আপুনি ইচ্ছা কৰিলে খালী চকুৰে চাব পৰে!** |
| ***C3*** | **পূৰ্ণগ্ৰাস অন্ত পৰাৰ সময়:** | |  |  | আপুনি পুনৰ গ্ৰহণ দৃশ্যায়ন চশমা পিন্ধাটো **বাঞ্চনীয়** |
| ***C4*** | **আংশিক গ্ৰহণ অন্ত পৰাৰ সময়:** | |  |  | আপুনি পুনৰ গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰাটো **বাঞ্চনীয়** |
| ***C4ৰ পাছত*** | * কোনো গ্ৰহণ হোৱা নাই * | |  |  | আপুনি গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰাটো **বাঞ্চনীয়** |

2) যদিও আপুনি সম্পূৰ্ণতাৰ পথত অৱস্থান কৰিছে, তথাপিও আপুনি C2ৰ আগৰ আৰু C3ৰ পাছৰ সমগ্ৰ সময়চোৱা যেতিয়া গ্ৰহণ পূৰ্ণগ্ৰাস হৈ নাথাকে সেই সময়ত কেৱল গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰিহে সূৰ্যটো চাব।

© 2014-2024
Eclipse2024.org

3) আপুনি খালী চকুৰে সূৰ্যটো প্ৰত্যক্ষভাৱে চাব পাৰিব(গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ নকৰাকৈ) কেৱল:
    a. যদি আপোনাৰ স্থানত গ্ৰহণ পূৰ্ণগ্ৰাস হয় (আপুনি “সম্পূৰ্ণতাৰ পথ” ত আছে), আৰু
    b. পূৰ্ণগ্ৰাস চলি থকা সময়ত (আপুনি ওপৰত উল্লেখ কৰা ধৰণে আপোনাৰ স্থানত C2 ৰ পৰা C3ৰ মাজৰ আনুমানিক সময়খিনিত ) , আৰু
    c. **যেতিয়া সূৰ্যৰ উজ্বল অংশ সম্পূৰ্ণ ৰূপে চন্দ্ৰটোৱে ঢাকি ধৰিব।**

আপোনাৰ প্ৰকৃত স্থানৰ ওপৰত ভিত্তি কৰি পূৰ্ণগ্ৰাসৰ সঠিক সময় বেলেগ বেলেগ হ’ব পাৰে, সেয়ে আপুনি আনুমানিক সময় নিৰূপণ কৰি আগতিয়াকৈ ৰেকৰ্ড কৰক। আপুনি ৰেকৰ্ড কৰা সময় আনুমানিকহে মাথো!

4) পুনৰ বাৰ, ওপৰত উল্লেখিত সময় বা আন কোনো উৎসৰ পৰা সংগ্ৰহ কৰা সময় যিয়ে নহওক লাগিলে, সূৰ্যৰ কোনো উজ্বল অংশ দৃশ্যমান হলেই আপুনি সদায় কেৱল গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰিহে সূৰ্যটো চাব।

5) এই নিৰ্দেশনা সমূহ বুজাত সহায়ক হ’বলৈ ইয়াৰ লগতে ব্যাখ্যাত্মক চিত্ৰও প্ৰদান কৰা হৈছে।

---

***আপুনি তলৰ উক্তি কেইটা পঢ়ি, বুজিলৈ তাক পালন কৰাতো বাঞ্চনীয়:***

**মই গ্ৰহণ দৃশ্যায়ন চশমাৰ নিৰাপদ ব্যৱহাৰৰ বাবে ইয়াৰ লগত জড়িত সকলো নিৰ্দেশনা মানি চলিব লাগিব।**

**যদি সূৰ্যটোৰ কোনো উজ্বল অংশ দৃশ্যমান হৈছে, মই সূৰ্যটো চাওঁতে গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰিবই লাগিব।**

*© 2014-2024*
*Eclipse2024.org*

## ** মোৰ স্থানত গ্ৰহণ *পূৰ্ণগ্ৰাস হোৱা নাই* **

আপুনি সম্পূৰ্ণ গ্ৰহণৰ পথত অৱস্থান নাইকৰা আৰু সেয়ে আপুনি পূৰ্ণগ্ৰাস গ্ৰহণৰ সুন্দৰ অভিজ্ঞতা ল'ব নোৱাৰিব। (এই বিৰল পৰিঘটনাৰ অভিজ্ঞতাৰ সাক্ষী হ'বলৈ আমি আপোনাক নিজৰ স্থান সলনি কৰি সম্পূৰ্ণ গ্ৰহণৰ পথত অৱস্থান কৰিবলৈ বিশেষ ভাৱে পৰামৰ্শ দিওঁ! )

1) আপোনাৰ অৱস্থানৰ বাবে eclipse2024.org/find-times ত উপলব্ধ কৰোৱা তথ্যৰ ভিত্তিত তলৰ তালিকাবদ্ধ গ্ৰহণৰ পৰিঘটনাৰ আনুমানিক সময় লিখি লওক (নিশ্চিত হওক যাতে সময় সূচী আপোনাৰ স্থানীয় সময়ক্ষেত্ৰৰ সৈতে মিলি থাকে! )

| | | | | | |
|---|---|---|---|---|---|
| ***C1ৰ আগত*** | * কোনো গ্ৰহণ হোৱা নাই * | |  |  | আপুনি গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰাতো **বাঞ্চনীয়** |
| ***C1*** | **আংশিক গ্ৰহণ আৰম্ভ হোৱাৰ সময়:** | |  |  | আপুনি গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰাতো **বাঞ্চনীয়** |
| ***মধ্যম গ্ৰহণ*** | **আৰম্ভ হোৱাৰ সময়:** | |  |  | আপুনি গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰাতো **বাঞ্চনীয়** |
| ***C4*** | **আংশিক গ্ৰহণ অন্ত পৰাৰ সময়:** | |  |  | আপুনি গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰাতো **বাঞ্চনীয়** |
| ***C4ৰ পাছত*** | * কোনো গ্ৰহণ হোৱা নাই * | |  |  | আপুনি গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰাতো **বাঞ্চনীয়** |

*(যিহেতু আপোনাৰ স্থানত পূৰ্ণগ্ৰাস গ্ৰহণ হোৱা নাই গতিকে C2 আৰু C3 ৰ সময় তালিকাবদ্ধ কৰা হোৱা নাই! )*

2) **যিহেতু আপুনি থকা স্থানত গ্ৰহণ পূৰ্ণগ্ৰাস নহয়, গতিকে সূৰ্যটো চাবলৈ আপুনি সকলো সময়তেই গ্ৰহণদৃশ্যায়ন চশমা ব্যৱহাৰ কৰিব লাগিব।** পুনৰ আমি আপোনাক সম্পূৰ্ণ গ্ৰহণৰ পথলৈ যাবলৈ পৰামৰ্শ দিম।নিশ্চিত হ'ব যে গ্ৰহণ দৃশ্যায়ন চশমা আপোনাৰ লগত থাকে, যাতে আপুনি গ্ৰহণৰ আংশিক দশা সমূহ নিৰাপদে চাব পাৰে!

3) এই নিৰ্দেশনা সমূহ বুজাত সহায়ক হ'বলৈ ইয়াৰ লগতে ব্যাখ্যাত্মক চিত্ৰও প্ৰদান কৰা হৈছে।

---

***আপুনি তলৰ উক্তি কেইটা পঢ়ি, বুজিলৈ তাক পালন কৰাতো বাঞ্চনীয়:***

**মই গ্ৰহণ দৃশ্যায়ন চশমাৰ নিৰাপদ ব্যৱহাৰৰ বাবে ইয়াৰ লগত জড়িত সকলো নিৰ্দেশনা মানি চলিব লাগিব।**

**মই সূৰ্যটো চাওঁতে সদায় গ্ৰহণ দৃশ্যায়ন চশমা ব্যৱহাৰ কৰিবই লাগিব।**

© 2014-2024
Eclipse2024.org

PDF

অসমীয়া

GRAN ECLIPSE NORTEAMERICANO

GRANDE ÉCLIPSE NORD - AMÉRICAINE

GREAT NORTH AMERICAN ECLIPSE

ECLIPSE .org 2024